# চাউদি আৰব সাম্রাজ্যৰ ৰজা আব্দুলাৰ মৃত্যুত সমবেদনা জ্ঞাপন কৰাৰ বাবে উপৰাষ্ট্রপতিয়ে এক প্রতিনিধিৰ দলক নেতৃত্ব দিব ।

২৪ জানুৱাৰী ২০১৫

ভাৰত চৰকাৰ আৰু ভাৰতৰ জনসাধাৰনে চাউদী আৰবৰ মহামান্য ৰজা আব্দুলা বিন আব্দুল আজিজ অল চাউদৰ মৃত্যুত গভীৰ শোক আৰু আশ্চ্যৰ্য্যপ্রকাশ কৰে । মৃত মহামান্য ৰজা আব্দুলা দুটা পবিত্র মছজিদৰ প্রহৰীৰ উপৰিও চাউদী আৰব সাম্রাজ্যৰ ৰজা আছিল । চাউদি আৰব সাম্রাজ্যই এগৰাকী নেতাক হেৰুৱাই আৰু সমগ্র বিশ্বই এগৰাকী জেষ্ঠ্যো নেতৃস্থানীয় ব্যক্তী হেৰুৱাই ।তেওঁৰ নেতৃত্বৰ অৰ্ন্তগত চাউদী আৰব সাম্রাজ্যৰ সফলতাৰ সবিশেষ সম্বন্ধে তেওঁৰ ভিজিয়নৰ প্রমান সদায় মজুত থাকিব ।

ৰজা আব্দুলাৰ অৰ্ন্তগত ভাৰতে চাউদী আৰবৰ সৈতে সদায়েই এক নিবীৰ আৰু বন্ধুত্বপূৰ্ণ সম্বন্ধ ৰাখিছিল ।এই বন্ধুত্বৰ এনাজৰী বৰ্তী আছিল বিশেষকৈ চাউদী আৰবক সাম্রাজ্যক নিজ গৃহভূমী হিচাপে গ্রহণ কৰা এক বৃহত সংখ্যক ভাৰতীয়ৰ বসতিৰ বাবে ।

ভাৰত চৰকাৰে ২৪ জানুৱাৰী ২০১৫ তাৰিখ শণিবাৰে শোকৰ দিন হিচাপে ঘোষণা কৰিছে আৰু সেই দিনটোত ৰাষ্ট্রীয় পতাকা অৰ্দ্ধনমিত থাকিব । ২৪ জানুৱাৰী ২০১৫ তাৰিখে দেশৰ উপ ৰাষ্ট্রপতি শ্রী এম.হামিদ আনছাৰিয়ে ভাৰত চৰকাৰৰ হৈ এক প্রতিনিধি দলক নেতৃত্ব দি ৰিয়াধত উপস্থিত হৈ নেতা গৰাকীৰ মৃত্যুত দেশৰ হৈ শোকপ্রকাশ কৰিব ।

সন্মানীয় ৰাষ্ট্ৰপতি শ্ৰী প্ৰনৱ মূৰ্খাজী আৰু সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে চাউদী আৰব সাম্ৰাজ্যৰ দুটা পৱিত্ৰ মছজিদৰ প্ৰহৰী মহামান্য ৰজা চালমান বিন আব্দুল আজিজ অল চাউদলৈ শোক বাৰ্তা প্ৰেৰণ কৰে ।

নতুন দিল্লী

২৪ জানুৱাৰী ২০১৫